रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 17 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL : 5**
নং ১৭ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ (২০১০ ৰ ১৯)

# ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

# The National Green Tribunal Act, 2010

## ধাৰাসমূহৰ বিন্যাস

ধাৰাসমূহ

অধ্যায় - ১

প্ৰাৰম্ভিক


| | | |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ১ |


অধ্যায় - ২

ন্যায়াধিকৰণৰ স্থাপন


| | | |
|---|---|---|
| ৩। | ন্যায়াধিকৰণৰ স্থাপন | ৩ |
| ৪। | ন্যায়াধিকৰণৰ গঠন | ৩ |
| ৫। | অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ নিযুক্তিৰ বাবে অৰ্হতা | ৪ |
| ৬। | অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ নিযুক্তি | ৫ |
| ৭। | অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ পদাৱধি আৰু সেৱাৰ আন চৰ্ত্তাৱলী | ৫ |
| ৮। | পদত্যাগ | ৫ |
| ৯। | বেতন, ভাত্তা আৰু সেৱাৰ আন নিৰন্ধন আৰু চৰ্ত্তাৱলী | ৬ |
| ১০। | অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ অপসাৰণ আৰু নিলম্বন | ৬ |
| ১১। | কেতবোৰ পৰিস্থিতিত ন্যায়াধিকৰণৰ অধ্যক্ষৰূপে কাৰ্য্য কৰা বা কৃত্য নিৰ্ব্বহন কৰা | ৬ |
| ১২। | ন্যায়াধিকৰণৰ কৰ্ম্মচাৰীবৃন্দ | ৭ |
| ১৩। | অধ্যক্ষৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা | ৭ |


অধ্যায় - ৩

ন্যায়াধিকৰণৰ অধিকাৰিতা, ক্ষমতা আৰু কাৰ্য্যবাহী


| | | |
|---|---|---|
| ১৪। | ন্যায়াধিকৰণে বিবাদসমূহৰ নিস্পত্তি কৰিব | ৭ |
| ১৫। | সাহাৰ্য্য, ক্ষতিপূৰণ আৰু পুনৰ আস্থাপন | ৭ |
| ১৬। | ন্যায়াধিকৰণৰ আপীলৰ অধিকাৰিতা থাকিব | ৮ |
| ১৭। | কেতবোৰ গোচৰত সাহাৰ্য্য বা ক্ষতিপূৰণ দিয়াৰ দায়িত্ব | ৯ |
| ১৮। | ন্যায়াধিকৰণলৈ কৰা আবেদন বা আপীল | ১০ |
| ১৯। | ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা | ১১ |

২০। ন্যায়াধিকৰণে কেতবোৰ সিদ্ধান্ত প্ৰয়োগ কৰিব ১২

২১। সংখ্যাগৰিষ্টৰ দ্বাৰা বিনিশ্চয় কৰা হ'ব ১২

২২। উচ্চতম ন্যায়ালয়লৈ আপীল ১২

২৩। ব্যয় ১২

২৪। পাৰিপাৰ্শ্বিকতাৰ হানিৰ বাবে দেয় পৰিমানৰ জমা ১২

২৫। ন্যায়াধিকৰণৰ ৰায় বা আদেশ বা বিনিশ্চয়ৰ কাৰ্য্যকৰীকৰণ ১২

## অধ্যায় - ৪
## দণ্ড

২৬। ন্যায়াধিকৰণৰ আদেশৰ পালন কৰাত অসফলতাৰ বাবে দণ্ড ১৩

২৭। কোম্পানীৰ দ্বাৰা কৰা অপৰাধ ১৩

২৮। চৰকাৰী বিভাগৰ দ্বাৰা কৰা অপৰাধ ১৪

## অধ্যায় - ৫
## বিবিধ

২৯। অধিকাৰিতাৰ বৰ্জন ১৪

৩০। অপৰাধৰ সংজ্ঞান ১৫

৩১। ন্যায়াধিকৰণৰ সদস্য আৰু কৰ্ম্মচাৰীবৃন্দ লোক সেৱক হ'ব ১৫

৩২। সজ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ১৫

৩৩। অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব ১৫

৩৪। অনুসূচী I ৰ সংশোধন কৰাৰ ক্ষমতা ১৫

৩৫। নিয়মাৱলীৰ প্ৰণয়নৰ ক্ষমতা ১৬

৩৬। কেতবোৰ অধিনিয়মিতিৰ সংশোধন ১৭

৩৭। জটিলতা দূৰীকৰণৰ ক্ষমতা ১৭

৩৮। নিৰসন আৰু ব্যাবৃত্তি ১৭

# ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

(২০১০ ৰ সংখ্যা ১৯)

[২ জুন, ২০১০]

পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্কিত কোনো বিধিক অধিকাৰৰ বলবৎকৰণ আৰু ব্যক্তি আৰু সম্পত্তিৰ ক্ষতিৰ বাবে সামৰ্থ্য আৰু ক্ষতিপূৰণ দিয়াক অন্তৰ্ভূক্ত কৰি বন আৰু আন প্ৰাকৃতিক সম্পদৰ পাৰিপাৰ্শ্বিক সুৰক্ষা আৰু সংৰক্ষণৰ প্ৰভাৰী আৰু দ্ৰুত নিষ্পত্তিৰ বাবে আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে এখন ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ স্থাপনৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

আৰু যিহেতু ভাৰতবৰ্ষ ১৯৭২ৰ জুনত ষ্টকহোমত অনুষ্ঠিত সংঘ ৰাজ্যৰ মানৱ পাৰিপাৰ্শ্বিকতাৰ সন্মিলনত সিদ্ধান্ত গ্ৰহণ কৰা এটা পক্ষ হয়, য'ত ভাৰতে অংশ গ্ৰহণ কৰিছিল, মানৱ পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষা আৰু উন্নতিৰ বাবে সমুচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যসমূহক আহ্বান কৰে;

আৰু যিহেতু ১৯৭২ ৰ জুনত ৰাইও ডি জেনেইৰোত অনুষ্ঠিত পাৰিপাৰ্শ্বিকতা আৰু উন্নয়নৰ ওপৰত সংঘ ৰাজ্যক্ষেত্ৰ সন্মিলনত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, য'ত ভাৰতবৰ্ষই অংশ গ্ৰহণ কৰিছিল, প্ৰতিকাৰ আৰু প্ৰতিবিধানক অন্তৰ্ভূক্ত কৰি ন্যায়িক আৰু প্ৰশাসনিক কাৰ্য্যবাহীলৈ প্ৰভাৱী প্ৰবিষ্টিৰ উপবন্ধ কৰিবলৈ আৰু প্ৰদূষণ আৰু আন পাৰিপাৰ্শ্বিক ক্ষতিৰ বাবে ভূক্তভোগী সকলৰ দায়িত্ব আৰু ক্ষতিপূৰণৰ সম্বন্ধত জাতীয় বিধিৰ উন্নয়ন কৰিবলৈ ৰাজ্যসমূহক আহ্বান কৰে;

আৰু যিহেতু ভাৰতবৰ্ষৰ ন্যায়িক সিদ্ধান্ত, সুস্থ পাৰিপাৰ্শ্বিকতাৰ অধিকাৰ, সংবিধানৰ অনুচ্ছেদ ২১ৰ অধীনত জীৱনৰ অধিকাৰৰ এটা ভাগ ৰূপে অৰ্থ হয়;

আৰু যিহেতু উপৰোক্ত সন্মিলনত গ্ৰহণ কৰা সিদ্ধান্ত প্ৰয়োগ কৰিবলৈ আৰু পাৰিপাৰ্শ্বিকতা সম্পৰ্কিত বহুমূখী অনুশাসনিক বিষয়বোৰক জড়িত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ স্থাপন কৰিবলৈ সমীচীন বুলি বিবেচিত কৰা হয়।

ইয়াক, ভাৰত গণৰাজ্যৰ একষষ্ঠিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ-

## অধ্যায় - ১

## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ নামেৰে অভিহিত হ'ব।

(২) ই, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত বলবৎ হ'ব।

*পৰিভাষা*

২। (১) এই অধিনিয়মখনত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে -

(ক) "দূৰ্ঘটনা" মানে কোনো বিপদজনক উপাদান বা সা-সঁজুলি, বা যন্ত্ৰপাতি, বা যান-বাহন ব্যৱহাৰ কৰোতে দৈৱক্ৰমে বা হঠাৎ বা অনভিপ্ৰেত ভাৱে ঘটা এটা দূৰ্ঘটনা যাৰ ফলস্বৰূপে কোনো ব্যক্তিৰ মৃত্যু বা আঘাট বা কোনো সম্পত্তি বা পৰিবেশৰ ক্ষতি নিৰন্তৰ ভাৱে বা আন্তৰায়িক ভাৱে বা পুনৰাবৃত্তি ঘটি থাকে কিন্তু কেৱল যুদ্ধ বা নাগৰিক বিক্ষিপ্তিৰ বাবে হোৱা কোনো দূৰ্ঘটনাক অন্তৰ্ভূক্ত নকৰে;

(খ) "অধ্যক্ষ" মানে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ অধ্যক্ষ;

(গ) “পাৰিপাৰ্শ্বিকতা” ই পানী, বায়ু আৰু ভূমি আৰু ইয়াৰ আন্তঃসম্পৰ্কিত যিটো পানী, বায়ু আৰু ভূমিৰ মাজত বা ভিতৰত থাকে আৰু মানৱ, আন জীৱিত প্ৰাণী, সা-সঁজুলি, অনুজীৱ আৰু সম্পত্তিক অন্তৰ্ভূক্ত কৰে;

(ঘ) “দক্ষ সদস্য” মানে ন্যায়াধিকৰণৰ এজন সদস্য যিয়ে, ধাৰা ৫ৰ উপধাৰা (২)ত বিনিৰ্দ্দিষ্ট কৰা ধৰণে নিয়োজিত হয় আৰু অৰ্হতাসমূহ ধাৰণ কৰে আৰু এজন ন্যায়িক সদস্য নহয়;

(ঙ) কোনো বিপদজনক উপাদানৰ সম্পৰ্কত “পৰিচালনা কৰা” মানে কোনো বিপদজনক উপাদানৰ নিৰ্ম্মাণ, প্ৰক্ৰিয়া, ব্যৱস্থা, পেকেট কৰা, জমা কৰা, পৰিবহন, ব্যৱহাৰ, সংগ্ৰহ, বিনাশ; পৰিবৰ্ত্তন, বিক্ৰী, অন্তৰণ বা এনে সদৃশৰ বাবে প্ৰস্তাৱ কৰা;

১৯৮৬ ৰ ২৯ (চ) “বিপদজনক উপাদান” মানে কোনো উপাদান বা প্ৰস্তুতকৰণ যিটো পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ৰ বিপদজনক, উপাদান ৰূপে পৰিভাষিত আৰু লোক

১৯৯১ ৰ ৬ দায়িত্বৰ জীৱন বীমা অধিনিয়ম, ১৯৯১ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে বা বিনিৰ্দ্দিষ্ট কৰিব পৰা এনে পৰিমাণৰ অতিৰিক্ত।

(ছ) “ক্ষতি”য়ে কোনো দূৰ্ঘটনাৰ ফলস্বৰূপে হোৱা স্থায়ী, আংশিক বা সম্পূৰ্ণ অক্ষমতা বা অসুস্থতাক অন্তৰ্ভূক্ত কৰে;

(জ) “ন্যায়িক সদস্য” মানে ন্যায়াধিকৰণৰ এজন সদস্য যিঁ ধাৰা (৫)ৰ উপধাৰা (১)ৰ অধীনত এনেদৰে নিয়োজিত হ'বলৈ অৰ্হতাসম্পন্ন হয় আৰু ই অধ্যক্ষক অন্তৰ্ভূক্ত কৰে;

(ঝ) “অধিসূচনা” মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা;

(ঞ) “ব্যক্তি”য়ে নিম্নলিখিতসমূহক অন্তৰ্ভূক্ত কৰে -

(i) এজন ব্যক্তি,

(ii) এটা হিন্দু অবিভক্ত পৰিয়াল,

(iii) এটা কোম্পানী,

(iv) এখন ফাৰ্ম,

(v) ব্যক্তিসমূহৰ সন্থা বা ব্যক্তি নিকায়, নিগমিত হওঁক বা নহওঁক,

(vi) এটা ন্যাসৰ ন্যাসী,

(vii) এটা স্থানীয় প্ৰাধিকাৰী, আৰু

(viii) পূৰ্ব্বৱৰ্ত্তী উপখণ্ডৰ কোনোটোৰ ভিতৰত নপৰা প্ৰত্যেক কৃত্ৰিম ন্যায়িক ব্যক্তি;

(ট) “বিহিত” মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত;

(ঠ) “অনুসূচী” মানে এই অধিনিয়মৰ সংলগ্ন অনুসূচী i, ii, iii;

(ড) "পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্কিত সাৰবান প্ৰশ্ন"ই এটা দৃষ্টান্তক অন্তৰ্ভুক্ত কৰিব, য'ত-

(i) এজন ব্যক্তিৰ দ্বাৰা এটা বিনিৰ্দ্দিষ্ট পৰিনিয়ত পাৰিপাশ্বিক দায়িত্বৰ এটা প্ৰত্যেক্ষ উলঙ্ঘন হয় যাৰ দ্বাৰা -

(ক) এজন ব্যক্তি বা ব্যক্তিৰ বৰ্গৰ ব্যতিৰেকে বৃহৎ সম্প্ৰদায়ে পাৰিপাৰ্শ্বিকতাৰ পৰিনাম স্বৰূপৰ প্ৰভাৱিত হয় বা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থাকে; বা

(খ) পাৰিপাৰ্শ্বিকতা বা সম্পত্তিৰ হানি গুৰুত্ব যথাৰ্থ হয়; বা

(গ) লোক স্বাস্থ্যৰ হানি বিস্তৃতভাৱে পৰিমাপ্য হয়; বা

(ii) পাৰিপাশ্বিকতাৰ পৰিনামবোৰ এটা বিনিৰ্দ্দিষ্ট কাৰ্য্যকলাপ বা প্ৰদূষণৰ উৎসৰ স্থান;

(ত) "ন্যায়াধিকৰণ" মানে ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ;

১৯২৩ৰ ৮ (ন) "শ্ৰমিক"ৰ শ্ৰমিক ক্ষতিপূৰণ অধিনিয়ম, ১৯২৩, ইয়ালৈ আৰোপিত কৰা অৰ্থ হয়।

১৯৭৪ৰ ৬
১৯৭৭ৰ ৩৬
১৯৮০ৰ ৬৯
১৯৮১ৰ ১৪
১৯৮৬ৰ ২৯
১৯৯১ৰ ৬
২০০৩ ৰ ১৮

(২) এই অধিনিয়মত ব্যৱহৃত কিন্তু ইয়াত পৰিভাষিত নোহোৱা আৰু জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) অধিনিয়ম, ১৯৭৪, জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) উপকৰ অধিনিয়ম, ১৯৭৭, বন (সংৰক্ষণ) অধিনিয়ম, ১৯৮০, বায়ু (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) অধিনিয়ম, ১৯৮১, পাৰিপাৰ্শ্বিক (সুৰক্ষা) অধিনিয়ম, ১৯৮৬, লোক দায়িত্ব জীৱন বীমা অধিনিয়ম, ১৯৯১ আৰু জৈৱ বিবিধতা অধিনিয়ম, ২০০২ আৰু পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্কিত আন অধিনিয়মত পৰিভাষিত শব্দ আৰু অভিব্যক্তিসমূহৰ সেই অধিনিয়ম সমূহত সেই বোৰলৈ আৰোপিত কৰা দৰে অৰ্থ হ'ব।

## অধ্যায় - ২

## ন্যায়াধিকৰণৰ স্থাপন

*ন্যায়াধিকৰণৰ স্থাপন* ৩। কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ দ্বাৰা বা অধীনত এনে ন্যায়াধিকৰণত প্ৰদত্ত অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ কাৰ্য্যকৰী কৰিবলৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ নামেৰে অভিহিত এখন ন্যায়াধিকৰণ তাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ স্থাপন কৰিব।

*ন্যায়াধিকৰণৰ গঠন* ৪। (১) ন্যায়াধিকৰণ নিম্নলিখিত সমূহৰে গঠিত হ'ব -

(ক) এজন পূৰ্বকালিক অধ্যক্ষ;

(খ) দহজনতকৈ কম নোহোৱা কিন্তু বিশজনৰ অধিকতম পূৰ্ণকালিক ন্যায়িক সদস্যৰ সাপেক্ষে যিদৰে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে অধিসূচিত কৰে;

(গ) দহজনতকৈ কম নোহোৱা কিন্তু বিশজনৰ অধিকতম পূৰ্ণকালিক দক্ষ সদস্যৰ সাপেক্ষে যিদৰে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে অধিসূচিত কৰে।

(২) ন্যায়াধিকৰণৰ অধ্যক্ষই যদি প্ৰয়োজনীয় বিবেচিত কৰে, সেই গোচৰটোত ন্যায়াধিকৰণক সহায়তা কৰিবলৈ ন্যায়াধিকৰণত থকা এটা বিশেষ গোচৰত বিশেষ জ্ঞান আৰু অভিজ্ঞতা থকা কোনো এক বা ততোধিক ব্যক্তিক আহ্বান কৰিব পাৰে।

(৩) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, ন্যায়াধিকৰণৰ বৈঠকৰ সাধাৰণ স্থান বা স্থানসমূহ আৰু বৈঠকৰ এনে প্ৰত্যেক স্থানৰ অধীনত পৰা ৰাজ্যক্ষেত্ৰীয় অধিকাৰিতা বিনিৰ্দ্দিষ্ট কৰিব পাৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে, ন্যায়াধিকৰণৰ অধ্যক্ষৰসৈতে পৰামৰ্শ কৰি নিম্নলিখিত সমূহক অন্তৰ্ভূক্ত কৰি ন্যায়াধিকৰণৰ পদ্ধতি আৰু প্ৰক্ৰিয়াক সাধাৰণতে বিনিয়মিত কৰা নিয়মাৱলী প্ৰনয়ন কৰে -

(ক) ন্যায়াধিকৰণৰ সমক্ষত হাজিৰ হ'বলৈ হক্‌দাৰ হোৱা ব্যক্তি সকলৰ বিষয়ে থকা নিয়মাৱলী;

(খ) [ উপধাৰা (৩)ত নিৰ্দ্দেশিত অধিকাৰিতাৰ অন্তৰ্গত ইয়াৰ বৈঠকৰ সাধাৰণ স্থানৰ ব্যতিৰেকে এটা স্থানত শুনানীৰ বাবে চক্ৰ প্ৰক্ৰিয়াক অন্তৰ্ভূক্ত কৰি ] আবেদন আৰু আপীলৰ অংশস্বৰূপে হোৱা আবেদন আৰু আপীল আৰু আন বিষয়ৰ শুনানীৰ প্ৰক্ৰিয়াৰ বিষয়ে থকা নিয়মাৱলী;

(গ) আবেদন আৰু আপীলৰ কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ সম্বন্ধত আবেদন আৰু আপীলৰ শুনানী লোৱা নিম্নতম সংখ্যক সদস্য ঃ

পৰন্তু এখন আবেদন বা আপীলৰ শুনানীত দক্ষ সদস্যৰ সংখ্যা, এনে আবেদন বা আপীল শুনা ন্যায়িক সদস্যসকলৰ সংখ্যাৰ সমান হ'ব;

(ঘ) অধ্যক্ষৰ দ্বাৰা, বৈঠকৰ এখন স্থানৰ পৰা (বৈঠকৰ সাধাৰণ স্থানক অন্তৰ্ভূক্ত কৰি) বৈঠকৰ আন স্থানলৈ গোচৰসমূহৰ অন্তৰণ সম্পৰ্কিত নিয়মাৱলী।

*অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ নিযুক্তিৰ বাবে অৰ্হতাসমূহ।*

৫। (১) এজন ব্যক্তি ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িক সদস্যৰূপে নিযুক্তিৰ বাবে অৰ্হ নহ'ব, যিপৰ্য্যন্ত তেওঁ, ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়ধীশ বা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নহয় ঃ

পৰন্তু এজন ব্যক্তি যি উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ হয় বা হৈছে, তেওঁ বা এজন ন্যায়িক সদস্যৰূপে নিয়োজিত হ'বলৈ অৰ্হতাসম্পন্ন হ'ব।

(২) এজন ব্যক্তি, এজন দক্ষ সদস্যৰূপে নিযুক্তিৰ বাবে অৰ্নহ হ'ব, বিপৰ্য্যন্ত তেওঁৰ-

(ক) এটা ডক্টৰেট উপাধিসহ বিজ্ঞানৰ স্নাতকোত্তৰ (শাৰিৰীক বিজ্ঞান বা জীৱ বিজ্ঞানৰ) স্নাতকোত্তৰ উপাধি বা অভিযান্ত্ৰিক স্নাতকোত্তৰ বা প্ৰযুক্তিবিদ্যা স্নাতকোত্তৰ উপাধি নাথাকে আৰু এখন প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিষ্ঠানত (প্ৰদূষণ নিয়ন্ত্ৰন, বিপদজনক উপাদান ব্যৱস্থাপনা, পাৰিপাৰ্শ্বিকতা পৰিনাম মূল্যাংকন, জলবায়ু পৰিবৰ্ত্তন ব্যৱস্থান জৈৱ বিৱিধতা ব্যৱস্থাপন আৰু বনসংৰক্ষনক অন্তৰ্ভূক্ত কৰি) পাৰিপাৰ্শ্বিকতা আৰু বনৰ ক্ষেত্ৰত পাঁচ বছৰৰ প্ৰায়োগিক অভিজ্ঞতা অন্তৰ্ভূক্ত কৰি সুসঙ্গত ক্ষেত্ৰত পোন্ধৰ বছৰৰ অভিজ্ঞতা নাথাকে; বা

**ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০**

(খ) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ বা এখন প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় বা ৰাজ্যিকস্তৰৰ প্ৰতিষ্ঠানত পাৰিপাৰ্শ্বিক বিষয়সমূহৰ সৈতে সংব্যৱহৃত হোৱা পাঁচ বছৰৰ অভিজ্ঞতাক অন্তৰ্ভুক্ত কৰি পোন্ধৰ বছৰৰ প্ৰশাসনিক অভিজ্ঞতা নাথাকে।

(৩) ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যই এনেদৰে তেওঁক পদাধিকাৰ কালৰ ভিতৰত কোনো আৰু পদ ধাৰণ কৰিব নোৱাৰিব।

(৪) অধ্যক্ষ আৰু আন ন্যায়িক আৰু দক্ষ সদস্যই তেওঁলোকে পদ ধাৰণ নকৰাৰ তাৰিখৰ পৰা দুই বছৰৰ এটা কালৰ বাবে এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ কোনো কাৰ্য্যবাহীত এটা পক্ষ হোৱা কোনো ব্যক্তিৰ ব্যৱস্থাপনত বা প্ৰশাসনত থকা বা জড়িত কোনো নিয়োজনক স্বীকাৰ নকৰিব ঃ

১৯৫৬ৰ ১

পৰন্তু এই ধাৰাত থকা কোনো কথাই কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ৬১৭ত পৰিভাষিত দৰে কোনো কেন্দ্ৰীয়, ৰাজ্যিক বা প্ৰাদেশিক অধিনিয়ম বা এটা চৰকাৰী কোম্পানীৰ দ্বাৰা বা অধীনত স্থাপিত কেন্দ্ৰীয় চৰকাৰক এখন ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰাধিকাৰী বা কোনো পৰিনিয়ত প্ৰাধিকাৰী বা কোনো নিকায়ৰ অধীনৰ কোনো নিয়োজনলৈ প্ৰযোজ্য নহ'ব।

*অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ নিযুক্তি।*

৬। (১) ধাৰা ৫ৰ উপবন্ধাৱলীৰ সাপেক্ষে, ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যসমূহক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) অধ্যক্ষক,ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(৩) ন্যায়াধিকৰণৰ ন্যায়িক সদস্য আৰু দক্ষ সদস্যসকলক এনে বাচনি কমিটিৰ চুপাৰিছত আৰু বিহিত কৰা দৰে এনে ৰীতিত নিয়োজিত কৰা হ'ব।

*অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ পদাৱধি আৰু সেৱাৰ আন চৰ্ত্তাৱলী।*

৭। ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িকসদস্য আৰু দক্ষ সদস্যই, তেওঁলোকে তেওঁলোকৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে এনেদৰে পদ ধাৰণ কৰিব, কিন্তু পুনৰ নিযুক্তিৰ বাবে যোগ্য নহ'ব ঃ

পৰন্তু যদিহে উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশ হোৱা বা হৈ থকা এজন ব্যক্তিক ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িক সদস্য ৰূপে নিয়োজিত কৰা হৈছে, তেওঁ সত্তৰ বছৰ প্ৰাপ্ত কৰাৰ পিচত তেওঁ পদ ধাৰণ নকৰিব ঃ

উপৰন্তু যদিহে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হোৱা বা হৈ থকা এজন ব্যক্তিক ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িকসদস্য ৰূপে নিয়োজিত কৰা হৈছে, তেওঁ সাতষষ্ঠি বছৰ প্ৰাপ্ত কৰাৰ পিচত তেওঁ পদ ধাৰণ নকৰিব ঃ

অধিকন্তু যদিহে উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ হোৱা বা হৈ থকা এজন ব্যক্তিক ন্যায়াধিকৰণৰ ন্যায়িক সদস্যৰূপে নিয়োজিত কৰা হৈছে তেওঁ সাতষষ্ঠি বছৰ প্ৰাপ্ত কৰাৰ পিচত তেওঁ পদ ধাৰণ নকৰিব ঃ

অধিকন্তু কোনো দক্ষ সদস্যই তেওঁ পয়সষ্ঠি বছৰ প্ৰাপ্ত কৰাৰ পিচত পদ কৰিব নকৰিব।

*পদত্যাগ*

৮। ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যই কেন্দ্ৰীয় চৰকাৰলৈ তেওঁলোকৰ হস্তাক্ষৰৰে লিখিতভাৱে সূচনাৰ দ্বাৰা তেওঁলোকৰ পদৰ পদত্যাগ কৰিব পাৰে।

*বেতন ভাত্তা আৰু সেৱাৰ আন আৰু চৰ্ত্তাৱলী।*

৯। ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ (পেঞ্চন, পাৰিতোষিক আৰু আন অৱসৰকালীন সুবিধা অন্তৰ্ভূক্ত কৰি) দেয় বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব ঃ

পৰন্তু, অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ বেতন আৰু ভাত্তাসমূহ বা সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী কোনোটোৱেই তেওঁলোকৰ নিযুক্তিৰ পিচত তেওঁলোকৰ অসুবিধালৈ পৰিৱৰ্ত্তিত নহ'ব।

*অধ্যক্ষ, ন্যায়িক সদস্য আৰু দক্ষ সদস্যৰ অপসাৰণ আৰু নিলম্বন।*

১০। (১) কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িক সদস্যৰ পদৰ পৰা অপসাৰণ কৰিব পাৰে, যি-

(ক) দেউলীয়া বুলি ন্যায়নিৰ্নীত হৈছে; বা

(খ) কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক ভ্ৰষ্ঠতাত লিপ্ত হোৱা এটা অপৰাধত অভিযুক্ত হৈছে বা

(গ) শাৰিৰীক বা মানসিকভাৱে অক্ষম হয়; বা

(ঘ) তেওঁৰ কৃত্যসমূহক প্ৰতিকূলভাৱে প্ৰভাৱী কৰাৰ সম্ভাৱনা থকা এনে বিত্তীয় বা আন স্বাৰ্থত অৰ্জন কৰিছে; বা

(ঙ) তেওঁ পদৰ এনে অপব্যৱহাৰ কৰিছে যে পদত তেওঁৰ উপস্থিতিয়ে লোক স্বাৰ্থৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলায়।

(২) অধ্যক্ষ বা ন্যায়িক সদস্যক, উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশৰ দ্বাৰা কৰা কোনো অনুসন্ধানৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত কোনো আদেশৰ ব্যতিৰেকে তেওঁৰ পদৰ পৰা অপসাৰণ কৰা নহ'ব য'ত এনে অধ্যক্ষ বা ন্যায়িক সদস্যক তেওঁৰ বিৰুদ্ধে থকা অভিযোগৰ সূচনা দিয়া হয় আৰু সেই অভিযোগবোৰৰ সম্বন্ধত শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া হয়।

(৩) কেন্দ্ৰীয় চৰকাৰে অধ্যক্ষ বা ন্যায়িক সদস্যক পদৰ পৰা নিলম্বিত কৰিব পাৰে যাৰ সম্বন্ধত এটা অনুসন্ধানৰ পৰিচালনাৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশ উপ-ধাৰা (২)ৰ অধীনত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশলৈ দিয়া হয় যি পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰে এনে প্ৰসঙ্গ নিৰ্দ্দেশৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা কৰা অনুসন্ধানৰ প্ৰতিবেদনৰ প্ৰাপ্তিত কোনো আদেশ পাৰিত নকৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে নিয়মাৱলীৰ দ্বাৰা, উপধাৰা (২)ত নিৰ্দ্দেশিত অনুসন্ধানৰ বাবে প্ৰক্ৰিয়া বিনিয়মিত কৰিব পাৰে।

(৫) দক্ষ সদস্যজনক উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট কৰা আধাৰত কেন্দ্ৰীয় চৰকাৰৰ এটা আদেশৰ দ্বাৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা দৰে প্ৰক্ৰিয়াৰ অনুসৰণত তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পাৰে ঃ

পৰন্তু দক্ষ সদস্যক অপসাৰিত কৰা নহ'ব যিপৰ্য্যন্ত তেওঁক বিষয়টোৰ শুনানীৰ কোনো যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

*কেতবোৰ পৰিস্থিতিত ন্যায়াধিকৰণৰ অধ্যক্ষৰূপে কাৰ্য্য কৰা বা তেওঁৰ কৃত্য নিৰ্ব্বহন কৰা।*

১১। ন্যায়াধিকৰণৰ অধ্যক্ষৰ পদ তেওঁৰ মৃত্যু, পদত্যাগ বা অন্যথা কাৰণত পদৰ কোনো পদৰিক্তি ঘটাত কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা এই মৰ্ম্মে প্ৰাধিকৃত কৰা ন্যায়াধিকৰণৰ এনে ন্যায়িক সদস্যই অধ্যক্ষৰূপে কাৰ্য্য কৰিব যিপৰ্য্যন্ত যি তাৰিখলৈ এজন নতুন অধ্যক্ষক এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত নিযুক্তি দিয়া নহয়।

## ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

*ন্যায়াধিকৰণৰ কৰ্ম্মচাৰীবৃন্দ।*

১২। (১) কেন্দ্ৰীয় চৰকাৰে, ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত ন্যায়াধিকৰণক সহায় কৰিবলৈ অপেক্ষিত পদাধিকাৰীসমূহৰ আৰু আন কৰ্ম্মচাৰীবৃন্দৰ প্ৰকৃতি আৰু বৰ্গ নিৰ্দ্ধাৰণ কৰিব।

(২) ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দৰ নিযুক্তি, বিহিত কৰা দৰে এনে ৰীতিত অধ্যক্ষৰ দ্বাৰা দিয়া হ'ব।

(৩) ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দ অধ্যক্ষৰ সাধাৰণ অধীক্ষনৰ অধীনত তেওঁলোকৰ কৃত্যসমূহ নিৰ্ব্বহন কৰিব।

(৪) ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দৰ বেতন আৰু ভাৰ্ত্তা আৰু সেৱাৰ চৰ্ত্তাৱলী এনে হ'ব যিদৰে বিহিত কৰা হয়।

*অধ্যক্ষৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা।*

১৩। ন্যায়াধিকৰণৰ অধ্যক্ষই, কেন্দ্ৰীয় চকাৰৰ দ্বাৰা প্ৰনীত নিয়মাৱলীৰ অধীনত তেওঁলৈ ন্যস্ত কৰা দৰে এনে বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা কাৰ্য্যকৰী কৰিব ঃ

পৰন্তু অধ্যক্ষই সদস্য বা এনে পদাধিকাৰীয়ে এনে আৰোপিত ক্ষমতা কাৰ্য্যকৰী কৰাৰ সময়ত অধ্যক্ষৰ নিৰ্দ্দেশনা, নিয়ন্ত্ৰণ আৰু পৰ্য্যাবেক্ষনৰ অধীনত কাৰ্য্য চলোৱাৰ চৰ্তৰ সাপেক্ষে, ন্যায়াধিকৰণৰ কোনো ন্যায়িক সদস্য বা দক্ষ সদস্য বা পদাধিকাৰীলৈ তেওঁ উচিত বুলি ভবা দৰে, তেওঁৰ এনে বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা আৰোপ কৰিব পাৰে।

## অধ্যায় - ৩

## ন্যায়াধিকৰণৰ অধিকাৰিতা, ক্ষমতা আৰু কাৰ্য্যবাহী

*ন্যায়াধিকৰণে বিবাদ সমূহৰ নিস্পত্তি কৰিব।*

১৪। (১) ন্যায়াধিকৰণৰ সকলো চিভিল গোচৰৰ ওপৰত অধিকাৰিতা থাকিব য'ত (পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্কিত কোনো বিধিক অধিকাৰ বলবৎ কৰণক অন্তৰ্ভূক্ত কৰি) পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্কিত এটা সাৰবান প্ৰশ্ন জড়িত হয় আৰু অনুসূচী ১ত বিনিৰ্দ্দিষ্ট অধিনিয়মিতিৰ প্ৰয়োগৰ পৰা এনে প্ৰশ্নৰ উদ্ভৱ হয়।

(২) ন্যায়াধিকৰণে, উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰশ্নসমূহৰ পৰা উদ্ভৱ হোৱা বিবাদসমূহৰ শুনানী লব আৰু এনে বিবাদসমূহৰ নিস্পত্তি কৰিব আৰু ইয়াৰ ওপৰত আদেশ পাৰিত কৰিব।

(৩) এই ধাৰাৰ অধীনত বিবাদৰ ন্যায়নিৰ্নয়ৰ বাবে কোনো আবেদন ন্যায়াধিকৰণৰ দ্বাৰা গ্ৰহণ কৰা নহ'ব যিপৰ্য্যন্ত ইয়াক, এনে বিবাদৰ বাবে বাদহেতুক প্ৰথমে উদ্ভৱ হোৱা তাৰিখৰ পৰা ছয়মাহৰ এটা কালৰ ভিতৰত কৰা নহয় ঃ

পৰন্তু ন্যায়াধিকৰণে, যদি ই সন্তুষ্ট হয় যে আবেদন খন উক্ত কালৰ ভিতৰত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা আবেদন দাখিল কৰাত বাধাপ্ৰাপ্ত হৈছিল, ষাঠিদিনৰ অনধিক এটা অতিৰিক্ত কালৰ ভিতৰত দাখিল কৰিবলৈ ইয়াক অনুমতি দিব পাৰে।

*সাহাৰ্য্য ক্ষতিপুৰণ আৰু পুনৰ আস্থাপন।*

১৫। (১) ন্যায়াধিকৰণে এটা আদেশৰ দ্বাৰা নিম্নলিখিত সমূহক উপবন্ধ কৰে -

(ক) (কোনো বিপদজনক উপাদান ব্যৱহাৰ কৰা সময়ত ঘটা দুৰ্ঘটনাক অন্তৰ্ভূক্ত কৰি) অনুসূচী ১ ত বিনিৰ্দ্দিষ্ট অধিয়িমিতিৰ অধীনত উদ্ভৱ হোৱা প্ৰদূষন আৰু আন পাৰিপাৰ্শ্বিকতাৰ ক্ষতিত ভুক্তভোগীক সাহাৰ্য্য আৰু ক্ষতিপূৰণ;

(খ) ক্ষতিগ্ৰস্থ সম্পত্তিৰ পুনৰ আস্থাপন;

(গ) এনে এলেকা বা এলেকাসমূহৰ বাবে পাৰিপাৰ্শ্বিকতাৰ পুনৰ আস্থাপন;

যিদৰে ন্যায়াধিকৰণে উচিত বুলি ভাবে।

১৯৯১ ৰ ৬ (২) উপধাৰা (১)ৰ খণ্ড (ক), (খ) আৰু (গ)ত নিৰ্দ্দেশিত সাহাৰ্য্য আৰু ক্ষতিপূৰণ আৰু সম্পত্তিৰ পুনৰ আস্থাপন আৰু পাৰিপাৰ্শ্বিকতা, লোক দায়িত্ব জীৱনবীমা অধিনিয়ম, ১৯৯১ৰ অধীনত দেয় বা দিবলগীয়া সাহাৰ্য্যৰ অতিৰিক্ত হ'ব।

(৩) এই ধাৰাৰ অধীনত কোনো ক্ষতিপূৰণ বা সাহাৰ্য্য বা সম্পত্তিৰ পুনৰ আস্থাপন বা পাৰিপাৰ্শ্বিকতাৰ মঞ্জুৰীৰ বাবে কোনো আবেদন, ন্যায়াধিকৰণৰ দ্বাৰা গ্ৰহণযোগ্য নহ'ব যি পৰ্য্যন্ত ইয়াক এনে ক্ষতিপূৰণৰ বা সাহাৰ্য্যৰ বাবে বাদ হেতুক প্ৰথমে উদ্ভৱ হোৱা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা কালৰ ভিতৰত কৰা নহয় ঃ

পৰন্তু ন্যায়াধিকৰণে, যদি ই সন্তুষ্ট হয় যে আবেদনখন সেই আবেদন উক্ত কালৰ ভিতৰত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা আবেদন দাখিল কৰাত বাধাপ্ৰাপ্ত হৈছিল, ষাঠিদিনৰ অনধিক এটা অতিৰিক্ত কালৰ ভিতৰত দাখিল কৰিবলৈ ইয়াক অনুমতি দিব পাৰে।

(৪) ন্যায়াধিকৰণে, ই উচিত বুলি ভবাদৰে জনস্বাস্থ্য, সম্পত্তি আৰু পাৰিপাৰ্শ্বিকতাৰ ক্ষতিক অৱধানত ৰাখি অনুসূচীৰ IIত বিনিৰ্দ্দিষ্ট পৃথক শিতানৰ অধীনত দিবলগীয়া ক্ষতিপূৰণ বা সাহাৰ্য্য বিভাজিত কৰিব, পাৰে যাতে দাবীদাৰলৈ ক্ষতিপূৰণ বা সাহাৰ্য্য আৰু সম্পাত্তি আৰু পাৰিপাৰ্শ্বিকতাৰ ক্ষতিৰ বাবে উপবন্ধ কৰে।

(৫) এই অধিনিয়মৰ অধীনত ক্ষতিপূৰণ বা সাহাৰ্য্যৰ প্ৰত্যেক দাবীদাৰে কোনো আন ন্যায়ালয় বা প্ৰাধিকাৰীলৈ দাখিল কৰা আবেদনৰ বিষয়ে বা যথাস্থিতি ইয়াৰ পৰা প্ৰাপ্ত ক্ষতিপূৰণ বা সাহাৰ্য্যৰ বিষয়ে ন্যায়াধিকৰণক সূচিত কৰিব।

*ন্যায়াধিকৰণৰ আপীলৰ অধিকাৰিতা থাকিব।* ১৯৭৪ ৰ ৬

১৬। (ক) জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) অধিনিয়ম, ১৯৭৪ ৰ ধাৰা ২৮ৰ অধীনত আপীল প্ৰাধিকাৰীৰ দ্বাৰা ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভনত বা পিচত দিয়া কোনো আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৭৪ ৰ ৬ (খ) জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) অধিনিয়ম, ১৯৭৪ৰ ধাৰা ২৯ ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত পাৰিত এটা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৭৪ ৰ ৬ (গ) জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) অধিনিয়ম, ১৯৭৪ ৰ ধাৰা ৩৩কৰ অধীনত এখন বোৰ্ডৰ দ্বাৰা ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত জাৰী কৰা নিৰ্দ্দেশনা সমূহৰ দ্বাৰা জড়িত কোনো ব্যক্তিয়ে;

১৯৭৭ ৰ ৩৬ (ঘ) জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰন) উপকৰ অধিনিয়ম, ১৯৭৭ৰ ধাৰা ১৩ৰ অধীনত আপীল প্ৰাধিকাৰীৰ দ্বাৰা, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত দিয়া এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৮০ ৰ ৫৯ (ঙ) বন (সংৰক্ষণ) অধিনিয়ম, ১৯৮০ৰ ধাৰা ২ৰ অধীনত ৰাজ্য চৰকাৰ বা আন প্ৰাধিকাৰীৰ দ্বাৰা, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত, দিয়া এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৮১ ৰ ১৪ (চ) বায়ু (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৩১ৰ অধীনত আপীল প্ৰাধিকাৰী দ্বাৰা, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম ২০১০ৰ প্ৰাৰম্ভণত বা পিচত, দিয়া এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৮৬ ৰ ২৯ (ছ) পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ৰ ধাৰা ৫ৰ অধীনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভনত বা পিচত,জাৰী কৰা কোনো নিৰ্দ্দেশনা;

১৯৮৬ ৰ ২৯ (জ) কোনো উদ্যোগ, প্ৰবৰ্ত্তন বা প্ৰক্ৰিয়া বা উদ্যোগৰ শ্ৰেণী প্ৰবৰ্ত্তন আৰু প্ৰক্ৰিয়া পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ৰ অধীনত কাৰ্য্যকৰী কৰা হোৱা নাই বা কেতবোৰ সংৰক্ষণৰ সাপেক্ষে কাৰ্য্যকৰী কৰা হ'ব সেই অঞ্চলত পাৰিপাৰ্শ্বিক পৰিস্কৰণ মঞ্জুৰ কৰোতে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ প্ৰাৰম্ভনত বা পিচত দিয়া এটা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

১৯৮৬ ৰ ২৯ (ঝ) পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ৰ অধীনত কোনো কাৰ্য্যকলাপ বা প্ৰবৰ্ত্তন বা প্ৰক্ৰিয়া কাৰ্য্যকৰী কৰাৰ বাবে পাৰিপাৰ্শ্বিকতা পৰিস্কৰণ মঞ্জুৰীৰ অস্বীকাৰ কৰি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ প্ৰাৰম্ভনত বা পিচত দিয়া এটা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

(ঞ) জৈৱ বিৱিধতা অধিনিয়ম, ২০০২ৰ উপবন্ধাৱলীৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিৱিধতা প্ৰাধিকাৰ বা এখন ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ দ্বাৰা, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম ২০১০ৰ প্ৰাৰম্ভনত বা পিচত লাভৰ ভাগীদাৰীৰ নিৰ্দ্ধাৰণ কৰা বা দিয়া আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে;

তেওঁক আদেশ বা বিনিশ্চিয় বা নিৰ্দ্দেশনা বা নিৰ্দ্ধাৰণ সূচিত কৰা তাৰিখৰ পৰা ত্ৰিশদিনৰ এটা কালৰ ভিতৰত, ন্যায়াধিকৰণ, এটা আপীল কৰিব পাৰে ঃ

পৰন্তু ন্যায়াধিকৰণে, যদি ই সন্তুষ্ট হয় যে আপীলকাৰীয়ে উক্ত কালৰ ভিতৰত আপীল দাখিলকৰণত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধা প্ৰাপ্ত হৈছিল, ষাঠিদিনৰ অনধিক এটা অতিৰিক্ত কালৰ ভিতৰত এই ধাৰাৰ অধীনত দাখিল কৰিবলৈ ইয়াক অনুমতি দিব পাৰে।

*কেতবোৰ গোচৰত সাহাৰ্য্য বা ক্ষতি পূৰণ দিয়াৰ দায়িত্ব।*

১৭। ১। অনুসূচী Iত বিনিৰ্দ্দিষ্ট কোনো অধিনিয়মিতিৰ অধীনত, কোনো দুৰ্ঘটনা বা কোনো কাৰ্য্যকলাপ বা প্ৰবৰ্ত্তন বা প্ৰক্ৰিয়াৰ প্ৰতিকূল প্ৰভাৱৰ ফলস্বৰূপে য'ত (এজন কৰ্ম্মীৰ অন্যথা) কোনো ব্যক্তিৰ মৃত্যু বা ক্ষতি বা কোনো সম্পত্তি বা পাৰিপাৰ্শ্বিকতাৰ হানি হয়, দায়ী হোৱা ব্যক্তি ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা দৰে অনুসূচী IIত বিনিৰ্দ্দিষ্ট শিতানৰ সকলো বা যি কোনোটোৰ অধীনত এনে মৃত্যু ক্ষতি বা হানিৰ বাবে এনে সাহাৰ্য্যক ক্ষতিপূৰণ দিবলৈ দায়ী হ'ব।

২। যদি অনুসূচী Iত বিনিৰ্দ্দিষ্ট কোনো অধিনিয়মিতিৰ অধীনত এটা দুৰ্ঘটনা বা কোনো কাৰ্য্যকলাপ বা প্ৰবৰ্ত্তন বা প্ৰক্ৰিয়াৰ প্ৰতিকূল প্ৰভাৱৰ দ্বাৰা সংঘটিত হোৱা মৃত্যু, ক্ষতি বা

হানি কোনো একক কার্য্যকলাপ বা প্রবর্ত্তন বা প্রক্রিয়ালৈ আৰোপ কৰিব নোৱাৰি কিন্তু এনে কেতবোৰ কাৰ্য্যকলাপ, প্রবর্ত্তন আৰু প্রক্রিয়াৰ সংযুক্ত বা পাৰিণামিক প্ৰভাৱ থাকে তাত ন্যায়াধিকৰণে সমানুপাতিক আধাৰত এনে কার্য্যকলাপ, প্রবর্ত্তন আৰু প্রক্রিয়াৰ বাবে সেই দায়িত্বৰোৰৰ ভিতৰত সাহাৰ্য্য বা ক্ষতিপূৰণৰ বাবে দায়িত্ব বিভাজিত কৰিব পাৰে।

৩। ন্যায়াধিকৰণে, কোনো দুৰ্ঘটনাৰ ক্ষেত্ৰত বিনা দোষৰ নীতি প্রয়োগ কৰিব।

*ন্যায়াধিকৰণলৈ কৰা আবেদন বা আপীল।*

১৮। ১। ধাৰা ১৪ আৰু ১৫ ৰ অধীনৰ প্ৰত্যেক আবেদন বা ধাৰা ১৬ৰ অধীনৰ এটা আপীল বিহিত কৰা দৰে এনে সবিশেষ সন্নিবিষ্ট, এনে প্ৰ-পত্ৰত আৰু এনে দস্তাবেজ আৰু মাচুলসহ একেলগে ন্যায়াধিকৰণলৈ দিয়া হ'ব।

২। ধাৰা ১৬ত থকা উপবন্ধাৱলীৰ প্ৰতিকূল নোহোৱাকৈ সাহাৰ্য্য বা ক্ষতিপূৰণৰ মঞ্জুৰী বা বিবাদৰ আপোচৰ বাবে এখন আবেদন নিম্নলিখিত সমূহৰ দ্বাৰা ন্যায়াধিকৰণলৈ দিব পাৰে -

(ক) ক্ষতি ভোগা কোনো ব্যক্তি; বা

(খ) হানি হোৱা সম্পত্তিৰ মালিক; বা

(গ) য'ত মৃত ব্যক্তিসকলৰ বিধিক প্ৰতিনিধিৰ সকলো বা যি কোনোটোৰ দ্বাৰা পাৰিপাৰ্শ্বিক হানিৰ ফলস্বৰূপে মৃত্যু হয়; বা

(ঘ) এনে ব্যক্তি বা এনে সম্পত্তিৰ মালিক বা যথাস্থিতি মৃত ব্যক্তিসকলৰ বিধিক প্ৰতিনিধিৰ সকলো বা যিকোনোটোৰ দ্বাৰা সম্যকভাৱে প্ৰাধিকৃত কোনো এজেন্ট; বা

(ঙ) কোনো প্রতিনিধিত্ব নিকায় বা সংগঠনক অন্তর্ভূক্ত কৰি কোনো ক্ষোভিত ব্যক্তি; বা

(চ) কেন্দ্ৰীয় চৰকাৰ বা এখন ৰাজ্য চৰকাৰ বা কোনো সংঘ ৰাজক্ষেত্ৰৰ প্ৰশাসন বা পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ বা সম্প্রতি বলবৎ আন কোনো বিধিৰ অধীনত গঠিত বা স্থাপিত কেন্দ্ৰীয় প্ৰদূষন নিয়ন্ত্রন বোৰ্ড বা এখন ৰাজ্যিক প্ৰদূষন নিয়ন্ত্রন বোৰ্ড বা এখন প্ৰদূষণ নিয়ন্ত্রণ কমিটি বা এজন স্থানীয় প্ৰাধিকাৰী বা কোনো পাৰিপাৰ্শ্বিক প্ৰাধিকাৰী ঃ

পৰন্তু য'ত মৃত ব্যক্তিৰ সকলো বিধিক প্ৰতিনিধিয়ে ক্ষতিপূৰণ বা সাহাৰ্য্য বা বিবাদৰ নিস্পত্তিৰ বাবে কোনো এনে আবেদনত মিলিত নহয়, তাত, মৃত ব্যক্তিৰ সকলো বিধিক প্ৰতিনিধিৰ হ'কে বা তেওঁলোকৰ লাভৰ বাবে আবেদন দিয়া হব আৰু মিলিত নোহোৱা বিধিক প্ৰতিনিধিসমূহক আবেদনৰ প্ৰতিবাদীৰূপে অভিযোজিত কৰিব ঃ

উপৰন্তু কোনো ব্যক্তি, মালিক, বিধিক প্রতিনিধি, এজেন্ট, প্রতিনিধিত্ব নিকায় বা সংগঠন, সাহাৰ্য্য, বা ক্ষতিপূৰণৰ মঞ্জুৰী বা বিবাদৰ নিস্পত্তিৰ বাবে এখন আবেদন কৰিবলৈ হ'কদাৰ নহব, যদিহে এনে ব্যক্তি, মালিক, বিধিক প্রতিনিধি, এজেন্ট, প্রতিনিধিত্ব নিকায় বা সংগঠন, ধাৰা ১৬ৰ অধীনত এটা আপীল কৰে।

৩। এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণত দাখিল কৰা কোনো আবেদন, বা যথাস্থিতি, আপীল যথাসম্ভৱ শীঘ্ৰে ইয়াৰ দ্বাৰা সংব্যৱহৃত কৰা হ'ব আৰু সংশ্লিষ্ট পক্ষসমূহক শুনানীৰ এটা সুযোগ দিয়াৰ পিচত আবেদন, বা যথাস্থিতি, আপীল দাখিলৰ তাৰিখৰ পৰা ছয়মাহৰ

ভিতৰত চূড়ান্ত ভাৱে আবেদন বা যথাস্থিতি, আপীল নিস্পত্তি কৰিবলৈ ইয়াৰ দ্বাৰা প্ৰয়াস কৰা হ'ব।

*ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা।* ১৯। (১) ন্যায়াধিকৰণ, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা উত্থাপিত প্ৰক্ৰিয়াৰ দ্বাৰা আৱদ্ধ নহ'ব কিন্তু নৈসৰ্গিক ন্যায়ৰ নীতৰ দ্বাৰা পৰিচালিত হ'ব।

*১৯০৮ ৰ ৫* (২) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, ন্যায়াধিকৰণৰ, ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব।

*১৮৭২ ৰ ১* (৩) ন্যায়াধিকৰণ, ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ ত থকা সাক্ষ্যৰ নিয়মাৱলীৰ দ্বাৰা আৱদ্ধ নহ'ব।

*১৯০৮ ৰ ৫* (৪) ন্যায়াধিকৰণৰ, এই ধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনৰ প্ৰয়োজনাৰ্থে, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰাৰ দৰে একেই ক্ষমতা থাকিব, যেতিয়া এটা বাদ নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত চলি থাকে, অৰ্থাৎ-

(ক) কোনো ব্যক্তিক চমন কৰা আৰু উপস্থিতি বলবৎ কৰা আৰু তেওঁৰ শপতৰ ওপৰত পৰীক্ষা কৰা;

(খ) দস্তাৱেজৰ উদ্ভাৱন আৰু উপস্থাপনৰ অপেক্ষা কৰা;

(গ) শপত পত্ৰৰ ওপৰত সাক্ষ্যৰ গ্ৰহণ কৰা;

*১৮৭২ ৰ ১* (ঘ) ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ ৰ ধাৰা ১২৩ আৰু ১২৪ ৰ উপবন্ধাৱলীৰ সাপেক্ষে, কোনো কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ বা দস্তাৱেজ বা এনে অভিলেখ বা দস্তাৱেজৰ প্ৰতিলিপি অধিগ্ৰহণ কৰা;

(ঙ) সাক্ষী বা দস্তাৱেজসমূহৰ পৰীক্ষাৰ বাবে কমিচন জাৰী কৰা;

(চ) ইয়াৰ বিনিশ্চয়ৰ পুনৰীক্ষন কৰা;

(ছ) ত্ৰূটীৰ বাবে এখন আবেদন খাৰিজ কৰা বা এক পক্ষীয়ভাৱে ইয়াক বিনিশ্চয় কৰা;

(জ) ত্ৰুটীৰ বাবে কোনো আবেদনৰ খাৰিজকৰণৰ কোনো আদেশ বা একপক্ষীয়ভাৱে ইয়াৰ দ্বাৰা পাৰিত কোনো আদেশ বাতিল কৰা;

(ঝ) এই অধিনিয়মৰ অধীনত কৰা কোনো আবেদন বা দাখিল কৰা কোনো আপীলক, সংশ্লিষ্ট পক্ষসমূহৰ শুনানীৰ এটা সুযোগ দিয়াৰ পিচত (কোনো নিষেধাজ্ঞা বা স্থাপনৰ মঞ্জুৰীক অন্তৰ্ভূক্ত কৰি) এটা অন্তৰৰ্ত্তী আদেশ পাৰিত কৰা;

(ঞ) অনুসূচী I ৰ বিনিৰ্দ্দিষ্ট কোনো অধিনিয়মিতিৰ কোনো উলঙ্ঘন সংঘটিত বা কাৰিত কৰা কোনো ব্যক্তিক বাদ দিবলৈ আৰু বিৰত ৰাখিবলৈ অপেক্ষা কৰি এটা আদেশ পাৰিত কৰা;

(ট) বিহিত কৰা আন কোনো বিষয়।

*১৮৬০ ৰ ৪৫* (৫) ন্যায়াধিকৰণত থকা সকলো কাৰ্য্যবাহীক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ধাৰা ১৯৩/২১৯ আৰু ২২৮'ৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হ'ব আৰু ন্যায়াধিকৰণক, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ

*১৯৭৪ ৰ ২* প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয় বুলি কৰা গণ্য হ'ব।

*ন্যায়াধিকৰণে কেতবোৰ সিদ্ধান্ত প্ৰয়োগ কৰিব।*

২০। ন্যায়াধিকৰণে, কোনো আদেশ বা বিনিশ্চয় বা ৰায় পাৰিত কৰা সময়ত গ্ৰহণীয় উন্নয়নৰ নীতি, সতৰ্কতামূলক নীতি আৰু প্ৰদূষিত বানচ নীতি প্ৰয়োগ কৰিব।

*সংখ্যা গৰিষ্ঠৰ দ্বাৰা বিনিশ্চয় কৰা হ'ব।*

২১। ন্যায়াধিকৰণৰ বিনিশ্চয় সদস্যৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা লোৱাটো বাধ্যতামূলক হ'ব ঃ

পৰন্তু এখন আবেদন বা আপীলৰ শুনানীত যদিহে সদস্যসমূহৰ মাজত মতভেদ হয় আৰু মতামত সমানে বিভক্ত হয়, তেতিয়া অধ্যক্ষই (যদি তেওঁ এনে আবেদন বা আপীল আগেয়ে শুনা নাই) এনে আবেদন বা আপীল শুনিব আৰু বিনিশ্চয় কৰিব ঃ

উপৰন্তু য'ত অধ্যক্ষই নিজেই ন্যায়াধিকৰণৰ আন সদস্যৰ সৈতে এনে আবেদন বা আপীল শুনিছে আৰু যদি এনে গোচৰত সদস্যসমূহৰ মাজত মতভেদ হয় আৰু মতামত সমানে বিভক্ত হয়, তেওঁ ন্যায়াধিকৰণৰ আন সদস্যসমূহলৈ বিষয়টো প্ৰেৰণ কৰিব যি এনে আবেদন বা আপীল শুনিব আৰু বিনিশ্চয় কৰিব।

*উচ্চতম ন্যায়ালয়লৈ আপীল।*
*১৯০৮ৰ ৫*

২২। ন্যায়াধিকৰণৰ কোনো ৰায়, বিনিশ্চয় বা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে, চিভিল প্ৰক্ৰিয়া, সংহিতা ১৯০৮ ধাৰা ১০০ত বিনিৰ্দ্দিষ্ট আধাৰসমূহৰ কোনো এক বা ততোধিকৰ ওপৰত তেওঁলৈ ন্যায়াধিকৰণৰ ৰায়, বিনিশ্চয় বা আদেশৰ পত্ৰ যোগাযোগৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত, উচ্চতম ন্যায়ালয়লৈ এটা আপীল দাখিল কৰিব পাৰে ঃ

পৰন্তু উচ্চতম ন্যায়ালয়ে নব্বৈ দিনৰ অৱসানৰ পিচত কোনো আপীল গ্ৰহণ কৰিব পাৰে, যদি ই সন্তুষ্ট হয় যে আপীলকাৰী আপীল কৰাত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল।

*ব্যয়*

২৩। (১) এই অধিনিয়মৰ অধীনত এখন আবেদন বা এটা আপীলৰ নিষ্পত্তিকৰণত ন্যায়াধিকৰণৰ, ব্যয়ৰ বিষয়ে এনে আদেশ দিবলৈ ক্ষমতা থাকিব, যিদৰে ই আৱশ্যকীয় বুলি বিবেচনা কৰে;

(২) য'ত ন্যায়াধিকৰণে এটা দাবী পালনীয় নহয় বা মিথ্যা বা আমনিদায়ক বুলি বিচাৰ কৰে আৰু এনে দাবী সমগ্ৰ বা আংশিকভাৱে অস্বীকৃত হয়, ন্যায়াধিকৰণে, যদি তেওঁ এনেদৰে উচিত বুলি ভাবে এনে দাবী মিথ্যা বা আমনিদায়ক হোৱা বুলি বিচাৰ কৰাৰ বাবে ইয়াৰ কাৰণসমূহ অভিলিখিত কৰাৰ পিচত, কোনো অন্তৰ্ৱৰ্ত্তী নিষেধাজ্ঞাৰ বাবে হেৰুওৱা লাভক অন্তৰ্ভূক্ত কৰি খৰচ প্ৰদান কৰিবলৈ আদেশ দিব পাৰে।

*পাৰিপাৰ্শ্বিকতাৰ হানিৰ বাবে দেয় পৰিমাণৰ জমা।*
*১৯৯১ ৰ ৬*

২৪। (১) য'ত ক্ষতিপুৰণ বা সাহাৰ্য্যৰ ৰূপত কোনো ধনৰাশি, পাৰিপাৰ্শ্বিকতাৰ কোনো হানিৰ আধাৰণত ন্যায়াধিকৰণৰ দ্বাৰা দিয়া কোনো নিৰ্ণয় বা আদেশৰ অধীনত আদায় দিবলৈ আদেশ কৰা হয়, সেই ধনৰাশি সেই ধাৰাৰ অধীনত স্থাপিত পাৰিপাৰ্শ্বিক সাহাৰ্য্য নিধিত জমাৰ বাবে লোক দায়িত্ব জীৱনবীমা অধিনিয়ম, ১৯৯১ৰ ধাৰা ৭ক ৰ উপধাৰা (৩)ৰ অধীনত বিনিৰ্দ্দিষ্ট প্ৰাধিকাৰীলৈ ৰেহাই দিয়া হব।

*১৯৯১ ৰ ৬*

(২) লোক দায়িত্ব জীৱনবীমা অধিনিয়ম, ১৯৯১ত কোনো কথা থকা সত্বেও উপধাৰা (১)ৰ অধীনত পাৰিপাৰ্শ্বিকতা সাহাৰ্য্য নিধিত জমা হোৱা ক্ষতিপূৰণ বা সাহাৰ্য্যৰ পৰিমাণ, বিহিত কৰা এনে ৰীতিত আৰু পাৰিপাৰ্শ্বিকতা সম্পৰ্কিত এনে প্ৰয়োজনাৰ্থে এনে ব্যক্তি বা প্ৰাধিকাৰীৰ দ্বাৰা ব্যৱহাৰ কৰিব পাৰে।

*ন্যায়াধিকৰণৰ ৰায় বা আদেশ বা বিনিশ্চয়ৰ কাৰ্য্যকৰীকৰণ।*

২৫। (১) এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ কোনো ৰায় বা আদেশ বা বিনিশ্চয়, এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰী ৰূপে ন্যায়াধিকৰণৰ দ্বাৰা কাৰ্য্যকৰীযোগ্য হ'ব আৰু এই

প্ৰয়োজনাৰ্থে, ন্যায়াধিকৰণৰ, এখন চিভিল ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

(২) উপধাৰা (১)ৰ কোনো কথা থকা সত্বেও, ন্যায়াধিকৰণে, স্থানীয় অধিকাৰিতা থকা এখন চিভিল ন্যায়ালয়লৈ ইয়াৰ দ্বাৰা প্ৰণীত কোনো আদেশ বা ৰায় প্ৰেৰণ কৰিব পাৰে আৰু এনে চিভিল ন্যায়ালয়ে এনে আদেশ বা ৰায় কাৰ্য্যকৰী কৰিব যেনিবা ই সেই ন্যায়ালয়ৰ দ্বাৰা প্ৰণীত এটা ডিক্ৰীত আছিল।

(৩) য'ত কোনো ব্যক্তিৰ মৃত্যু বা ক্ষতি বা কোনো সম্পত্তি আৰু পাৰিপাৰ্শ্বিকতাৰ হানিৰ বাবে দায়ী কোনো ব্যক্তিয়ে, যাৰ বিৰুদ্ধে ন্যায়াধিকৰণৰ দ্বাৰা ৰায় বা আদেশ দিয়া হয়, ৰায় বা আদেশৰ এনেদৰে বিনিৰ্দ্দিষ্ট কৰা কালৰ ভিতৰত ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্দেশিত কৰা ধনৰাশি আদায় বা জমা বা জমা দিবলৈ অসফল হয়, তাত এনে ধনৰাশি এই অধিনিয়ম বা সম্প্ৰতি বলবৎ আন কোনো বিধিৰ অধীনত এটা অপৰাধৰ প্ৰতিৰোধৰ বাবে অভিযোগ দাখিল কৰণৰ প্ৰতিকূল নোহোৱাকৈ, ভূমি ৰাজহৰ বকেয়া বা লোকদাবী ৰূপে উক্ত ব্যক্তিৰ পৰা আদায় যোগ্য হ'ব।

## অধ্যায় - ৪

## দণ্ড

*ন্যায়াধিকৰণৰ আদেশৰ পালন কৰাত অসফলতাৰ বাবে দণ্ড।*

২৬। (১) যিয়েই, এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ কোনো আদেশ বা ৰায় বা বিনিশ্চয়ৰ পালন কৰিবলৈ অসফল হয়, তেওঁ তিনিবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা দহ কোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে, দণ্ডনীয় হ'ব আৰু যদিহে অসফলতা বা উলঙ্ঘনত চলি থাকে, এনে প্ৰথম অসফলতা বা উলঙ্ঘনৰ বাবে দোষী সাব্যস্তৰ পিচত এনে অসফলতা বা উলঙ্ঘন চলি থকা সময়ত প্ৰত্যেক দিনৰ বাবে পঁচিশ হাজাৰ টকালৈ বিস্তৃত হ'ব পৰা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব ঃ

পৰন্তু যদিহে এটা কোম্পানীয়ে, এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ কোনো আদেশ বা ৰায় বা এটা বিনিশ্চয় পালন কৰিবলৈ অসফল হয়, এনে কোম্পানী পঁচিশ কৌটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে দণ্ডনীয় হ'ব আৰু যদিহে অসফলতা বা উলঙ্ঘন চলি থাকে, এনে প্ৰথম অসফলতা বা উলঙ্ঘনৰ বাবে দোষী সাব্যস্তৰ পিচত এনে অসফলতা বা চলি থকা সময়ত প্ৰত্যেক দিনৰ বাবে একলাখ টকালৈ বিস্তৃত হ'ব পৰা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*১৯৭৪ৰ ২*

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও, এই অধিনিয়মৰ অধীনৰ প্ৰত্যেক অপৰাধক, উক্ত সংহিতাৰ অৰ্থৰ ভিতৰত অসজ্ঞেয় বুলি গন্য কৰা হ'ব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।*

২৭) (১) য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ, কোনো কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধৰ সংঘটনৰ সময়ত কোম্পানীৰ দৰে কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে প্ৰত্যক্ষভাৱে কোম্পানীৰ দায়িত্বত থকা বা কোম্পানীলৈ দায়ী হোৱা প্ৰত্যেক ব্যক্তিক অপৰাধত দোষী বুলি গন্য কৰা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'বঃ

পৰন্তু এই ধাৰাত থকা কোনো কথাই এই অধিনিয়মত উপবন্ধিত কোনো শাস্তিলৈ কোনো ব্যক্তিক দায়ী নকৰে যদিহে তেওঁ প্ৰমান কৰে যে অপৰাধটো তেওঁৰ জ্ঞান বিনা সংঘটিত হৈছিল বা তেওঁ এনে অপৰাধৰ সংঘটন প্ৰতিষেধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় আৰু এইটো প্ৰমানিত হয় সে অপৰাধটো কোম্পানীৰ কোনো সঞ্চালক পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত কৰা হয় বা তেওঁলোকৰ পক্ষত কোনো অৱহেলাৰ বাবে হয় তেন্তে, এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো সেই অপৰাধত দোষী বুলি গন্য কৰা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে -

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই এখন ফাৰ্ম বা ব্যক্তিসকলৰ আন সংস্থাক অন্তৰ্ভূক্ত কৰে; আৰু

(খ) এখন ফাৰ্মৰ সম্পৰ্ক "সঞ্চালক" মানে ফাৰ্মৰ এজন ভাগীদাৰ।

*চৰকাৰী বিভাগৰ দ্বাৰা কৰা অপৰাধ।*

২৮। (১) য'ত চৰকাৰৰ কোনো বিভাগে এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ কোনো আদেশ বা ৰায় বা বিনিশ্চয় পালন কৰিবলৈ অসফল হয়, বিভাগৰ মুৰব্বীজনক এনে অসফলৰ বাবে দোষী বুলি গন্য কৰা হ'ব আৰু এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটিত কৰাৰ বাবে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই ধাৰাত থকা কোনো কথাই বিভাগৰ এনে মুৰব্বীক কোনো শাস্তিলৈ দায়ী নকৰিব যদিহে তেওঁ প্ৰমান কৰে যে অপৰাধটো তেওঁৰ জ্ঞান বিনা সংঘটিত হৈছিল বা এনে অপৰাধৰ সংগঠনত প্ৰতিষেধ কৰিবলৈ তেওঁ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, য'ত এই অধিনিয়মৰ অধীনত চৰকাৰৰ এটা বিভাগৰ দ্বাৰা এটা অপৰাধৰ সংঘটন কৰা হয় আৰু এইটো প্ৰমানিত হয় যে অপৰাধটো বিভাগৰ মুৰব্বীৰ ব্যতিৰেকে, কোনো পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত কৰা হয় বা তেওঁলোকৰ পক্ষত কোনো অৱহেলাৰ বাবে হয়, তেন্তে এনে পদাধিকাৰীক সেই অপৰাধত দোষী বুলিও গন্য কৰা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

## অধ্যায় - ৫

## বিবিধ

*অধিকাৰিতাৰ বৰ্জন*

২৯। (১) এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ স্থাপনৰ তাৰিখৰ পৰা প্ৰভাবী হোৱাকৈ কোনো চিভিল ন্যায়ালয়ৰ, কোনো বিষয়ৰ সম্বন্ধত কোনো আপীল গ্ৰহণ কৰিবলৈ অধিকাৰিতা নাথাকিব, যিটো ন্যায়াধিকৰণ ইয়াৰ আপীল অধিকাৰিতাৰ অধীনত নিৰ্দ্ধাৰণ কৰিবলৈ ক্ষমতাৰ্পিত হয়।

(২) কোনো চিভিল ন্যায়ালয়ৰ, ন্যায়াধিকৰণৰ দ্বাৰা ন্যায়নিৰ্ণয় কৰিব পৰা বিবাদৰ নিস্পত্তি কৰিবলৈ বা কোনো সাহাৰ্য্য বা ক্ষতিপূৰণৰ মঞ্জুৰীৰ বাবে কোনো দাবী সম্পৰ্কিত কোনো প্ৰশ্ন ধাৰণ কৰিবলৈ বা হানি হোৱা সম্পত্তি বা হানি হোৱা পাৰিপাৰ্শ্বিকতাৰ পুনৰ আস্থাপনৰ বাবে অধিকাৰিতা নাথাকিব আৰু এনে বিবাদৰ নিস্পত্তিকৰণ বা কোনো সাহাৰ্য্য বা

ক্ষতিপূৰণৰ মঞ্জুৰীৰ বাবে এনে কোনো দাবী বা হানি হোৱা সম্পত্তি বা হানি হোৱা পাৰিপাৰ্শ্বিকতাৰ সম্বন্ধত ন্যায়াধিকৰণৰ দ্বাৰা বা ন্যায়াধিকৰণত লোৱা বা লবলগীয়া কোনো কাৰ্য্যৰ সম্বন্ধত কোনো নিষেধাজ্ঞা, চিভিল ন্যায়ালয়ৰ দ্বাৰা মঞ্জুৰ কৰা নহব।

*অপৰাধৰ সংজ্ঞান*

৩০। (১) নিম্নলিখিত সমূহৰ দ্বাৰা কৰা এটা গোচৰৰ অন্যথা, কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান নলব –

(ক) সেই চৰকাৰৰ দ্বাৰা এইমৰ্ম্মে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা কোনো প্ৰাধিকাৰী বা পদাধিকাৰী; বা

(খ) কোনো ব্যক্তি যিয়ে উপৰোক্ত দৰে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা প্ৰাধিকাৰী বা পদাধিকাৰীলৈ, অভিকথিত অপৰাধ আৰু তেওঁৰ এটা গোচৰ তৰাৰ অভিপ্ৰায় বিহিত কৰা দৰে এনে ৰীতিত ষাঠি দিনৰ কম নোহোৱাকৈ সূচনা দিয়ে।

(২) মহানগৰ দণ্ডাধীশ বা এজন প্ৰথমশ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ নিম্নতৰ কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ বিচাৰ নকৰিব।

*ন্যায়াধিকৰণৰ সদস্য আৰু কৰ্ম্মচাৰীবৃন্দ লোক সেৱক হ'ব।*

৩১। ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িক আৰু দক্ষ সদস্যসমূহ, পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দক, ভাৰতীয় দণ্ড সংহিতাৰ, ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গন্য কৰা হ'ব।

*১৮৬০ৰ ৪৪*

*সজ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা।*

৩২। (১) কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশ অনুসৰণত সজ বিশ্বাস কৰা বা কৰিবলৈ অভি-প্ৰেত কোনো কাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা কোনো পৰিনিয়ত প্ৰাধিকাৰীৰ কৰ্ম্মচাৰীবৃন্দৰ বিৰুদ্ধে নচলিব।

(২) কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ অনুসৰণত সজ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িকসদস্য বা দক্ষ সদস্য বা অধ্যক্ষ বা ন্যায়িক সদস্য বা দক্ষ সদস্যৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিৰ বিৰুদ্ধে, নচলিব।

*অধিনিয়মৰ অধ্যাৰোহী প্ৰভাব থাকিব।*

৩৩। এই অধিনিয়মৰ উপৰন্ধাৱলী, সম্প্ৰতি বলবৎ আন কোনো বিধিত বা এই অধিনিয়মৰ ব্যতিৰেকে কোনো বিধিৰ বলত প্ৰভাবী হোৱা কোনো লেখ্যত অসঙ্গত কোনো কথা থকা সত্বেও প্ৰভাবী হ'ব।

*অনুসূচী iৰ সংশোধনৰ ক্ষমতা।*

৩৪। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদাৰ সংৰক্ষণৰ উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি বা ইতিমধ্যে তাত বিনিৰ্দ্দিষ্ট কোনো অধিনিয়মতাৰ পৰা লোপ কৰি সংসদৰ দ্বাৰা অধিনিয়মিত, তাত কোনো আন অধিনিয়ম অন্তৰ্ভূক্ত কৰি অনুসূচী iৰ সংশোধন কৰিব পাৰে আৰু এনে অধিসূচনাৰ প্ৰকাশনৰ তাৰিখত এনে অধিনিয়মক, অনুসূচী iত অন্তৰ্ভূক্ত হোৱা বুলি বা যথাস্থিতি, লোপ হোৱা বুলি গন্য কৰা হ'ব।

*অনুসূচী i ত*

(২) উপধাৰা (১)ৰ অধীনত জাৰী কৰিবলৈ প্ৰস্তাৱিত প্ৰত্যেক অধিসূচনাৰ এটা প্ৰতিলিপি সংসদৰ প্ৰত্যেক সদনত খচৰা উত্থাপিত কৰা হ'ব, যেতিয়া ই অধিবেশনত মুঠ ত্ৰিশদিন

কালৰ বাবে থাকে যিটো এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনত ভুক্ত হ'ব পাৰে, আৰু যদি সেই অধিবেশনৰ বা ঠিক পাচৰ অধিবেশনৰ অৱসানৰ পূৰ্ব্বে, উভয় সদনে অধিসূচনা জাৰী অনুমোদনত একমত হয় বা উভয় সদনে অধিসূচনাত কোনো সাল সলনি কৰিবলৈ একমত হয়, তেতিয়া এনে অধিসূচনা জাৰী কৰা নহ'ব বা যথাস্থিতি, উভয় সদনে সন্মত হোৱা দৰে এনে সালসলনি ৰূপত কেৱল জাৰী কৰা হ'ব।

*নিয়মাৱলী প্ৰনয়নৰ ক্ষমতা।*

৩৫। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰনয়ন কৰিব পাৰে।

(২) বিশেষত ঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ

(ক) ধাৰা ৪ৰ উপধাৰা (৪)ৰ খণ্ড (ক)ৰ অধীনত ন্যায়াধিকৰণত হাজিৰ হ'বলৈ হক্‌দাৰ হোৱা ব্যক্তিসকলৰ বিষয়ে থকা নিয়মাৱলী;

(খ) ধাৰা ৪ৰ উপধাৰা (৪)ৰ খণ্ড (খ)ৰ অধীনত আবেদন আৰু আপীলৰ সম্পৰ্কিত আবেদন আৰু আপীল আৰু আন বিষয়সমূহৰ শুনানীৰ বাবে প্ৰক্ৰিয়া;

(গ) ধাৰা ৪ৰ উপধাৰা (৪)ৰ খণ্ড (গ)ৰ অধীনত আবেদন আৰু আপীলসমূহৰ কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ সম্বন্ধত আবেদন আৰু আপীল সমূহৰ শুনানী লোৱা নিম্নতম সদস্যৰ সংখ্যা;

(ঘ) অধ্যক্ষৰ দ্বাৰা, গোচৰ সমূহ, বৈঠকৰ এখন স্থানৰ পৰা (বৈঠকত সাধাৰণ স্থানক অন্তৰ্ভূক্ত কৰি) বৈঠকৰ আন স্থানলৈ, অন্তৰণ কৰা;

(ঙ) ধাৰা ৫ৰ উপধাৰা (৩)ৰ অধীনত ন্যায়াধিকৰণৰ বাচনি সমিতি আৰু ন্যায়িকসদস্য আৰু দক্ষ সদস্যৰ নিযুক্তিৰ ৰীতি;

(চ) ধাৰা ৯ৰ অধীনত ন্যায়াধিকৰণৰ অধ্যক্ষ, ন্যায়িকসদস্য আৰু দক্ষ সদস্যৰ (পেন্সন, পাৰিতোষিক আৰু আন অৱসৰকালীন লাভক অন্তৰ্ভূক্ত কৰি) দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী;

(ছ) ধাৰা ১০ৰ উপধাৰা (৪)ৰ অধীনত ন্যায়াধিকৰণৰ অধ্যক্ষ বা ন্যায়িক সদস্যক বিৰুদ্ধে থকা অভিযোগৰ তদন্তৰ প্ৰক্ৰিয়া;

(জ) ধাৰাৰ ১২ৰ উপধাৰা (২)ৰ অধীনত ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ নিযুক্তি আৰু সেই ধাৰাৰ উপধাৰা (৪)ৰ অধীনত ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দৰ বেতন আৰু ভাত্তা আৰু সেৱাৰ আন চৰ্ত্তাৱলী;

(ঝ) ধাৰাৰ ১৩ৰ অধীনত ন্যায়াধিকৰণৰ অধ্যক্ষৰ দ্বাৰা কাৰ্য্যকৰী কৰিবলগীয়া বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা;

(ঞ) ধাৰা ১৮ৰ উপধাৰা (১)ৰ অধীনত আবেদন বা আপীলৰ প্ৰপত্ৰ, ইয়াত থকা সবিশেষসমূহ আৰু লগত থকা দস্তাৱেজ আৰু দিবলগীয়া মাচুল;

(ট) এনে কোনো বিষয় যাৰ সম্বন্ধত ন্যায়াধিকৰণৰ ধাৰা ১৯ৰ উপধাৰা (৪)ৰ খণ্ড (ট)ৰ অধীনত এখন চিভিল ন্যায়ালয়ৰ ক্ষমতা থাকিব;

(ঠ) ৰীতি আৰু প্ৰয়োজন যাৰ বাবে পাৰিপাৰ্শ্বিকতাৰ সাহাৰ্য্য নিধিত ক্ষতিপূৰণ বা সাহাৰ্য্য জমা কৰা হয়, ধাৰা ২৪ৰ উপধাৰা (২)ৰ অধীনত ব্যৱহাৰ কৰা হ'ব;

(ড) ধাৰা ৩০ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ অধীনত এটা অভিযোগৰ সূচনা দিয়াৰ ৰীতি;

(ঢ) নিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰিবলৈ বা কৰাক অপেক্ষিত কৰা কোনো আন বিষয় বা যাৰ সম্বন্ধত উপবন্ধ, নিয়মাৱলীৰ দ্বাৰা প্ৰনয়ন কৰা হয়।

(৩) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰনয়ন কৰাৰ পিচত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সাংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব, আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰবৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্ব্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত নিয়মটো কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহব; সেয়ে হলেও এনে সালসলনি বা ৰদ্‌কৰণ সেই নিয়মৰ অধীনত পূৰ্ব্বে কৃত কোনো কাৰ্য্যৰ বিধিমান্যতৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*কেতবোৰ অধিনিয়মিতিৰ সংশোধন।*

৩৬। এই অধিনিয়মৰ অনুসূচী III বিনিৰ্দ্দিষ্ট অধিনিয়মিতি তাত বিনিৰ্দ্দিষ্ট কৰা ৰীতিত সংশোধন কৰা হ'ব আৰু এনে সংশোধন, ন্যায়াধিকৰণৰ স্থাপনৰ তাৰিখত প্ৰভাৱী হ'ব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৩৭। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাবী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয় কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, জটিলতা দূৰীকৰণৰ বাবে ইয়াক আৱশ্যকীয় বুলি প্ৰতীত হোৱাত এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসংগত নোহোৱা এনে উপবন্ধাৱলী প্ৰনয়ন কৰিব পাৰে ঃ

পৰন্তু এনে কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুই বছৰৰ এটা কালৰ অৱসানৰ পিচত প্ৰণয়ন কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰনয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব।

*নিৰসন আৰু ব্যাবৃত্তি।*
১৯৯৫ৰ ২৭
১৯৯৭ৰ ২২

৩৮। (১) ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা ন্যায়াধিকৰণ অধিনিয়ম, ১৯৯৫, আৰু ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ অধিনিয়ম, ১৯৯৭ ইয়াৰ দ্বাৰা নিৰসিত (ইয়াত ইয়াৰ পিচত নিৰসিত অধিনিয়ম ৰূপে নিৰ্দ্দেশিত)।

(২) এনে নিৰসন সত্বেও, উক্ত অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাক, এই অধিনিয়মৰ তদনুৰূপে উপবন্ধাৱলীৰ অধীনত কৰা বা লোৱা বুলি গন্য কৰা হ'ব।

১৯৯৭ৰ ২২

(৩) ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ অধিনিয়ম, ১৯৯৭ ৰ ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ

অধিনিয়ম, ২০১০ ৰ অধীনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ স্থাপনত ভংগ হৈ থাকিব।

১৯৯৭ৰ ২২ (৪) ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ অধিনিয়ম, ১৯৯৭ ৰ ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণৰ ভংগ কৰণত অধ্যক্ষ, উপাধ্যক্ষৰূপে নিয়োজিত ব্যক্তি আৰু উক্ত ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণৰ সদস্য ৰূপে নিয়োজিত প্ৰত্যেক আন ব্যক্তি আৰু ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ অধীনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ স্থাপনৰ অব্যৱহিত পূৰ্ব্বে এনেদৰে পদ ধাৰণকাৰী সকলে তেওঁলোকৰ নিজ নিজ পদসমূহ ৰিক্ত কৰিব আৰু এনে অধ্যক্ষ, উপাধ্যক্ষ আৰু সদস্যৰূপে নিয়োজিত প্ৰত্যেক আন ব্যক্তি, তেওঁৰ পদাৱধি বা সেৱাৰ কোনো সংবিদাৰ কালৰ পূৰ্ব্ব অৱসানৰ বাবে কোনো ক্ষতিপূৰণৰ দাবী লৈ হক্‌দাৰ নহব।

১৯৯৭ৰ ২২ (৫) ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ অধীনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ স্থাপনত বা পূৰ্ব্বে ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ অধিনিয়ম, ১৯৯৭ ৰ ধাৰা ৩ৰ উপধাৰা (১) ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণত লম্বিত সকলো গোচৰ এনে স্থাপনত উক্ত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ অন্তৰণ বাহাল থাকিব আৰু ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে এনে গোচৰসমূহৰ নিষ্পত্তি কৰিব যেনিবা সেই গোচৰসমূহক সেই অধিনিয়মৰ অধীনতহে দাখিল কৰিছিল।

(৬) ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণৰ ভংগকৰণৰ অব্যৱহিত পূৰ্ব্বে ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণলৈ প্ৰতিনিযুক্তিৰ আধাৰত নিয়োজিত পদাধিকাৰী বা আন কৰ্ম্মচাৰীবৃন্দই, তেওঁলোকৰ মূলকেডাৰ, মন্ত্ৰালয় বা যথাস্থিতি বিভাগলৈ প্ৰত্যাবৰ্ত্তন বাহাল থাকিব।

(৭) ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণ ভংগকৰণত, ৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিকতা আপীল প্ৰাধিকৰণৰ অধীনত সংবিদাৰ আধাৰত নিয়োজিত আৰু এনে ভংগকৰণৰ অব্যৱহিত পূৰ্ব্বে এনেদৰে পদ ধাৰণ কৰা পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দই তেওঁলোকৰ নিজ নিজ পদৰিক্ত কৰিব আৰু এনে পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দ, তেওঁলোকৰ সেৱাৰ সংবিদাৰ অধীনত তেওঁলোকৰ পদাৱধিৰ কালৰপূৰ্ব্ব অৱসানৰ বাবে, তিনিমাহৰ বেতন আৰু ভাত্তা বা সেৱাৰ অৱশিষ্ট কালৰ বেতন আৰু ভাত্তা যিটোৱেই কম হয়, ক্ষতিপূৰণ দাবী কৰিবলৈ হ'কদাৰ হ'ব।

১৮৯৭ৰ ১০ (৮) উপধাৰা (২)ৰ পৰা (৭)লৈ নিৰ্দ্দেশিত বিশেষ বিষয়সমূহৰ উল্লেখ, নিৰসন প্ৰভাৱক লক্ষ্যৰাশি সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ ৰ ধাৰা ৬ৰ সাধাৰণ প্ৰয়োগক প্ৰতিকূল বা প্ৰভাৱী নকৰিব।

## অনুসূচী - I

[ধাৰা ১৪(১), ১৫(১), ১৭(১) (ক), ১৭(২), ১৯(৪) (এ৩) আৰু ৩৪(১) চাওঁক]

১। জল (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৭৪;

২। জল (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) উপকৰ অধিনিয়ম ১৯৭৭;

৩। বন (সংৰক্ষণ) অধিনিয়ম, ১৯৮০;

৪। বায়ু (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৮১;

৫। পাৰিপাৰ্শ্বিকতা (সুৰক্ষা) অধিনিয়ম, ১৯৮৬;

৬। লোক দায়িত্ব জীৱন বীমা অধিনিয়ম, ১৯৯১;

৭। জৈৱ বিৱিধতা অধিনিয়ম, ২০০২ ।

## অনুসূচী - II

[ধাৰা ১৫(৪) আৰু ১৭(১) চাওঁক]

হানিৰ বাবে ক্ষতিপূৰণ বা সাহাৰ্য্য দাবী কৰিব পৰা শিতান

(ক) মৃত্যু;

(খ) স্থায়ী, অস্থায়ী, সম্পূৰ্ণ বা আংশিকভাৱে অক্ষমতা বা আন ক্ষতি বা অসুস্থতা;

(গ) সম্পূৰ্ণ বা আংশিক অক্ষমতা বা স্থায়ী বা অস্থায়ী অক্ষমতাৰ বাবে মজুৰীৰ লোকচান;

(ঘ) ক্ষতি বা অসুস্থাতাৰ চিকিৎসাৰ বাবে উপগত চিকিৎসাৰ ব্যয়;

(ঙ) ব্যক্তগত সম্পত্তিৰ হানি;

(চ) ক্ষতিগ্ৰস্থ ব্যক্তিসমূহলৈ সাহাৰ্য্য, সহায় আৰু পুৰ্ণসংস্থাপনৰ উপবন্ধ কৰাত চৰকাৰ বা কোনো স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা উপগত ব্যয়সমূহ;

(ছ) পাৰিপাৰ্শ্বিকতাৰ অৱনতিৰ আৰু পাৰিপৰ্শ্বিকতাৰ গুনৰ পুনৰুদ্ধাৰৰ বাবে ক্ষতিপূৰণক অন্তৰ্ভূক্ত কৰি কোনো প্ৰশাসনিক বা বিধিক কাৰ্য্যৰ বাবে বা কোনো অপকাৰ বা হানিৰ সাধন কৰিবলৈ চৰকাৰৰ দ্বাৰা উপগত ব্যয়;

(জ) কোনো হানি কাৰিত কৰা কাৰ্য্যকলাপৰ পৰা উদ্ভৱ হোৱা বা তাৰ সৈতে জড়িত থকা চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীৰ লোকচান;

(ঝ) দুগ্ধৱতী আৰু মালটনা পশু আৰু জলচৰ প্ৰাণীকূলক অন্তৰ্ভুক্ত কৰি প্ৰাণীকূলৰ কোনো অপকাৰ, হানি বা বিনাশৰ ক্ষেত্ৰত দাবী;

(ঞ) জলচৰ উদ্ভিদ, শস্য শাক-পাচলি, গছ-গছনি আৰু ফলৰ বাগিচাক অন্তৰ্ভূক্ত কৰি উদ্ভিদৰ কোনো অপকাৰ, হানি বা বিনাশৰ ক্ষেত্ৰত দাবী;

(ট) মাটি, বায়ু, জল, ভূমি আৰু পৰিবেশৰ পদ্ধতিক অন্তৰ্ভূক্ত কৰি পাৰিপাৰ্শ্বিকতাৰ কোনো অপকাৰ বা হানিৰ ক্ষেত্ৰত পুনৰ সংস্থাপনৰ ব্যয়ক অন্তৰ্ভূক্ত কৰি কৰা দাবী;

(ঠ) ব্যক্তিগত সম্পত্তিৰ ব্যতিৰেকে কোনো সম্পত্তিৰ লোকচান আৰু বিনাশ;

(ড) ব্যৱসায়ৰ লোকচান বা নিয়োজন বা উভয়;

(ঢ) বিপদজনক উপাদানৰ পৰিচালনাৰ কোনো কাৰ্য্যকলাপৰ পৰা উদ্ভৱ হোৱা বা তাৰ সৈতে জড়িত আন কোনো দাবী।

## ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

### অনুসূচী - III

(ধাৰা ৩৬ৰ চাওঁক)

### কেতবোৰ অধিনিয়মিতিৰ সংশোধন

### ভাগ I

### জল (প্ৰদূষনৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৭৪ৰ সংশোধন

(১৯৭৪ৰ ৬)

*নতুন ধাৰা ৩৩খ ৰ অন্তঃস্থাপন*

ধাৰা ৩৩ক ৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত কৰা হ'ব,

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ আপীল।*

অৰ্থাৎ ঃ -

৩৩খ I

(ক) ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ প্ৰাৰম্ভণত বা পিচত প্ৰণীত, ধাৰা ২৮ৰ অধীনত আপীল প্ৰাধিকাৰীৰ কোনো আদেশ বা বিনিশ্চয়ৰ দ্বাৰা; বা

(খ) ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ প্ৰাৰম্ভণত বা পিচত, ধাৰা ২৯ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা পাৰিত এটা আদেশৰ দ্বাৰা; বা

(গ) ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ প্ৰাৰম্ভণত বা পিচত এখন বোৰ্ডৰ দ্বাৰা ধাৰা ৩৩কৰ অধীনত জাৰী কৰা নিৰ্দ্দেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে,

সেই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে,

### ভাগ II

### জল (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) উপকৰ অধিনিয়ম, ১৯৭৭ৰ সংশোধন

(১৯৭৭ৰ ৩৬)

*ধাৰা ১৩ ৰ সংশোধন।*

১। ধাৰা ১৩ৰ উপধাৰা (৪)ত "চূড়ান্ত হ'ব" শব্দসমূহৰ স্থানত যদি কোনো আপীল ধাৰা ১৩কৰ অধীনত দাখিল কৰা নাই, "চূড়ান্ত হ'ব" এই শব্দ সংখ্যা আৰু অক্ষৰ প্ৰতিষ্ঠাপিত হ'ব।

২। ধাৰা ১৩ৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত হ'ব, অৰ্থাৎ ঃ-

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ আপীল।*

"১৩ক। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত, ধাৰা ১৩ৰ অধীনত প্ৰণীত আপীল প্ৰাধিকাৰীৰ এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তি সেই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে"।

## ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

### ভাগ III
### বন (সংৰক্ষণ) অধিনিয়ম, ১৯৮০ৰ সংশোধন
### (১৯৮০ৰ ৬৯)

*নতুন ধাৰা ২ক অন্তঃস্থাপন।*

ধাৰা ২ৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত হ'ব, অৰ্থাৎ ঃ-

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ কৰা আপীল।*

"২ক। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত, ধাৰা ২ৰ অধীনত প্ৰণীত ৰাজ্য চৰকাৰ বা আন প্ৰাধিকাৰীৰ এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা, ক্ষোভিত কোনো ব্যক্তিয়ে, সেই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে"।

### ভাগ IV
### বায়ু (প্ৰদূষণৰ প্ৰতিষেধ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৮১ৰ সংশোধন
### (১৯৮১ৰ ১৪)

*নতুন ধাৰা ৩১খ ৰ অন্তঃস্থাপন।*

ধাৰা ৩১কৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত হ'ব, অৰ্থাৎ ঃ-

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ কৰা আপীল।*

"৩১খ। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত, ধাৰা ৩১ৰ অধীনত আপীল প্ৰাধিকাৰীৰ এটা আদেশ বা বিনিশ্চয়ৰ দ্বাৰা, ক্ষোভিত কোনো ব্যক্তিয়ে, সেই অধিনিয়মৰ উপাবন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে"।

### ভাগ V
### পাৰিপাৰ্শ্বিকতাৰ (সংৰক্ষণ) অধিনিয়ম, ১৯৮৬ৰ সংশোধন
### (১৯৮৬ৰ ২৯)

*নতুন ধাৰা ৫ক ৰ অন্তঃস্থাপন।*

ধাৰা ৫ ৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত হ'ব, অৰ্থাৎ ঃ-

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ কৰা আপীল।*

"৫ক। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত ধাৰা ৫ৰ অধীনত জাৰীকৰা কোনো নিৰ্দ্দেশনাৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে, সেই অধিনিয়মৰ উপাবন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে"।

### ভাগ VI
### জৈৱ বিৱিধতা অধিনিয়ম, ২০০২ৰ সংশোধন
### (২০০৩ৰ ১৮)

*ধাৰা ৫২ৰ সংশোধন।*

১। ধাৰা ৫২ত পৰন্তুকৰ পিচত, নিম্নলিখিত পৰন্তুক অন্তঃস্থাপিত হ'ব অৰ্থাৎ ঃ-

উপৰন্তু এই ধাৰাত থকা কোনো কথাই ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত আৰু প্ৰাৰম্ভণৰ পৰা প্ৰযোজ্য নহ'ব ঃ

ম ংঅধিকন্তু ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণৰ পূৰ্ব্বে, উচ্চ ন্যায়ালয়ত লম্বিত কোনো আপীলৰ, উচ্চ ন্যায়ালয়ৰ দ্বাৰা শুনানী চলি থাকিব আৰু নিস্পত্তি হ'ব যেনিবা ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ, ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত হোৱাই নাছিল।

## ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

*নতুন ধাৰা ৫২ক ৰ অন্তঃস্থাপন।*

২। ধাৰা ৫২ৰ পিচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত হ'ব, অৰ্থাৎ ঃ-

*ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ কৰা আপীল।*

"৫২ক। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ প্ৰাৰম্ভণত বা পিচত এই অধিনিয়মৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিৱিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিৱিধতা বোৰ্ডৰ লাভৰ ভাগীদাৰী বা আদেশৰ কোনো নিৰ্দ্ধাৰণৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে, সেই অধিনিয়মৰ উপাৰন্ধাৱলীৰ অনুসৰণত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণলৈ এটা আপীল দাখিল কৰিব পাৰে।"

## ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০

## The National Green Tribunal Act, 2010

### পৰিভাষা

### Glossary of Terms

| Section | English term | Assamese Equivalent |
|---|---|---|
| 2(1)(a) | Fortuitous | দৈৱক্ৰমে |
| 2(1)(a) | Intermittent | আন্তৰায়িক |
| 2(1)(a) | Hazardous Substance | বিপদজনক উপাদান |
| 2(1)(a) | Civil disturbance | নাগৰিক বিক্ষিপ্ত |
| 17(1) | Adverse impact | প্ৰতিকূল প্ৰভাৱ |
| 17(2) | Apportion | বিভাজিত কৰা |
| 19(4)(j) | Desist | বিৰত কৰা |
| 23(2) | Vexations | আমনিদায়ক |
| 38(6) | Parent Cadre | মূলকেডাৰ |
| 38(6) | Reverted | প্ৰত্যাৱৰ্ত্তন |

ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ অধিনিয়ম, ২০১০ (২০১০ৰ অধিনিয়ম সংখ্যা ১৯)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The National Green Tribunal Act, 2010 (Act No. 19 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯